# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI

0000000000

**Date :19-12-2025**
**Time :** 21-25 Hrs

## ASSAMESE NIGHT BULLETIN

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

দুদিনীয়া ভ্ৰমণসূচীৰে কাইলৈ অসমলৈ আহিবলগীয়া প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক আদৰাৰ বাবে ৰাজ্য চৰকাৰে যাৱতীয় প্ৰস্তুতি সম্পূৰ্ণ কৰিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে কাইলৈ গুৱাহাটীত অসমৰ প্ৰথমগৰাকী মুখ্যমন্ত্ৰী লোকপ্ৰিয় গোপীনাথ বৰদলৈৰ প্ৰতিমূৰ্তি উন্মোচন কৰিব। তেওঁ লগতে বৰঝাৰৰ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তঃৰাষ্ট্ৰীয় বিমান বন্দৰৰ নৱনিৰ্মিত টাৰ্মিনেল উদ্বোধন কৰিব। এই টাৰ্মিনেলৰ উদ্বোধনে অসম তথা উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্য কেইখনৰ আন্তঃগাঁথনিৰ উপৰি যোগাযোগ ব্যৱস্থা, উদ্যোগ-বাণিজ্য আৰু পৰ্যটনকে ধৰি সৰ্বাংগীন উন্নয়ন ত্বৰান্বিত কৰিব বুলি আশা কৰা হৈছে। শ্ৰীমোদীয়ে ৰাজ্যিক বিজেপিৰ কাৰ্যালয়ত দলৰ কৰ্মকৰ্তাসকলৰ সৈতে মত বিনিময় কৰিব। প্ৰধানমন্ত্ৰী মোদীৰ সন্মানাৰ্থে দলীয় কৰ্মকৰ্তাসকলে ৰোড শ্ব'ৰ আয়োজন কৰিছে।

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কাইলৈ লোকপ্ৰিয় গোপীনাথ বৰদলৈ আন্তৰ্জাতিক বিমানবন্দৰৰ নতুন টাৰ্মিনেল ভৱন উদ্বোধন কৰাৰ পাছত বৰঝাৰত সম্বোধন কৰিবলগীয়া ৰাজহুৱা সভাৰ ভাষণ আকাশবাণী গুৱাহাটী কেন্দ্ৰই বিয়লি ৩ বাজি ৪৫ মিনিটৰ পৰা পোনপটীয়াকৈ প্ৰচাৰ কৰিব।

শ্ৰীমোদীয়ে পৰহিলৈ গুৱাহাটীৰ নৌ পৰিবহণ টাৰ্মিনেলত চৰাইদেউ জাহাজত ৰাজ্যৰ কেইবাগৰাকী মেধাৱী শিক্ষাৰ্থীৰ সৈতে **পৰীক্ষা পে চৰ্চা** অৰ্থাৎ পৰীক্ষা সম্পৰ্কীয় বিষয় লৈ আলোচনা কৰিব। ইয়াৰ পাছত তেওঁ অসম আন্দোলনৰ অমৰ ছহিদসকলৰ স্মৃতিত গুৱাহাটীৰ পশ্চিম বৰাগাঁৱত নিৰ্মাণ কৰা ছহিদ স্মাৰক ক্ষেত্ৰ পৰিদৰ্শন কৰিব। তেওঁ লগতে ৮৬০ গৰাকী বীৰ ছহিদক প্ৰণিপাত জনাই ছহিদ বেদীত পুষ্পাঞ্জলি অৰ্পণ কৰিব। কাইলৈ আৰু পৰহিলৈ গুৱাহাটী-উত্তৰ গুৱাহাটী সংযোগী তিনিটা ঘাটৰ ফেৰী সেৱাও বন্ধ থাকিব। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি গে'টৱে অৱ গুৱাহাটী টাৰ্মিনেল পৰিদৰ্শন কৰি সকলো দিশ পৰ্যালোচনা কৰে। প্ৰধানমন্ত্ৰীৰ বিভিন্ন কাৰ্যসূচী সন্দৰ্ভত এয়া আমাৰ গুৱাহাটীৰ সংবাদদাতা হেমন্ত বৰা –

**ভইচ (হেমন্ত বৰা)**

শ্ৰীমোদী দেওবাৰে নামৰূপলৈ যাব আৰু তেওঁ নামৰূপ সাৰ কাৰখানাত নতুন ব্ৰাউনফিল্ড এমনিয়া ইউৰিয়া প্ৰকল্পৰ আধাৰশিলা স্থাপন কৰিব। তেওঁ লগতে এখন জনসভাতো অংশ ল'ব। নামৰূপত ব্ৰহ্মপুত্ৰ ভেলী ফাৰ্টিলাইজাৰ কৰ্পোৰেচন লিমিটেডৰ বৰ্তমানৰ চৌহদত ১০ হাজাৰ কোটিৰো অধিক টকা ব্যয়সাপেক্ষে নিৰ্মাণ হ'বলগীয়া চতুৰ্থটো সাৰ প্ৰকল্পই ৰাজ্যখনৰ অৰ্থনীতি শক্তিশালী কৰাত সহায় কৰিব বুলি আশা কৰা হৈছে। মন্ত্ৰী বিমল বৰাই আজি নামৰূপত প্ৰধানমন্ত্ৰীয়ে অংশগ্ৰহণ কৰিবলগীয়া জনসভাৰ প্ৰস্তুতিৰ পৰ্যালোচনা কৰে।

০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ কাইলৈ গুৱাহাটী আগমনৰ সময়ত যান-জঁট নিয়ন্ত্ৰণৰ বাবে গুৱাহাটীৰ যান বাহন আৰক্ষীৰ উপ-আৰক্ষী আয়ুক্তই এখন সংবাদমেল সম্বোধন কৰি সাধাৰণ লোকক কেইবাটাও পথ এৰি চলিবলৈ আহ্বান জনাইছে। উপ-আৰক্ষী আয়ুক্তগৰাকীয়ে বিশেষ পথ নিৰ্দেশনা নাথাকিলেও, পানবজাৰ- ফাঁচীবজাৰ পথ, ৰিভাৰ ফ্ৰন্টৰ পথ আৰু লখৰা, বৰাগাঁও অঞ্চলৰ পথসমূহ এৰাই চলিবলৈ আহ্বান জনাইছে। প্ৰধানমন্ত্ৰীৰ ভ্ৰমণৰ সময়ছোৱাত গুৱাহাটী মহানগৰীত গধূৰ বাহনৰ চলাচলত সম্পূৰ্ণৰূপে বাধা আৰোপ কৰা হৈছে। একে সময়তে যানবাহন আৰক্ষী বিষয়া গৰাকীয়ে বিমান যাত্ৰীসকলক কাইলৈৰ দিনটোত নিৰ্দিষ্ট সময়তকৈ আগতে বিমান বন্দৰলৈ আহিবলৈ অনুৰোধ জনাইছে। বিমানবন্দৰৰ টাৰ্মিনেল মুকলি অনুষ্ঠানৰ যান বাহনৰ নিয়ন্ত্ৰণৰ বাবে যান বাহন আৰক্ষীৰ বিষয়াগৰাকীয়ে গৰলৰ দিশৰ পৰা অহা বাহনসমূহ দ্বিতীয় ৰ'টাৰী পইণ্টত ৰখাবলৈ আৰু পুৰণি টাৰ্মিনেলৰ দিশৰ পৰা অহা বাহনসমূহ এছ অ' এছ ভিলেজত ৰখাবলৈ আহ্বান জনাইছে। লগতে আৰক্ষী বিষয়াগৰাকীয়ে প্ৰকাশ কৰা অনুসৰি কাইলৈ প্ৰধানমন্ত্ৰীৰ অনুস্থানত ভাগ ল'বলৈ অহা লোকৰ কেৱল প্ৰৱেশ পত্ৰ থকা বাহনসমূহহে বিমানবন্দৰলৈ প্ৰৱেশৰ অনুমতি পাব। বিমানবন্দৰ মুকলিৰ পাছত প্ৰধানমন্ত্ৰীয়ে সম্বোধন কৰিবলগীয়া জনসভাত প্ৰায় ১ লাখ ২০ হাজাৰ লোকৰ সমাগমৰ সম্ভাৱনা আছে বুলি কৈ আৰক্ষী বিষয়াগৰাকীয়ে অনুষ্ঠানত অংশ লোৱা লোকক পানীৰ বটল, বেগ অনাত বাধা আৰোপ কৰিছে।

০০০০

ৰাজ্য চৰকাৰে শিল্পীসকলৰ বাবে **শিল্পী স্বাস্থ্য বীমা আঁচনি** ৰূপায়ণ কৰিছে। ১৮ৰ পৰা ৭০ বছৰ বয়সৰ শিল্পীসকলে www.filmfinance.assam.gov.in ৱেবছাইটত গৈ এই শিল্পী স্বাস্থ্য বীমা আঁচনিৰ বাবে আবেদন কৰিব পাৰিব। শিল্পীসকলে অহা ৭ জানুৱাৰীৰ নিশা ১২ বজাৰ ভিতৰত আবেদন কৰিব লাগিব।

০০০০

আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত অনুষ্ঠিত ভাৰত আৰু দক্ষিণ আফ্ৰিকাৰ মাজৰ পাঁচখনীয়া টি-২০ ক্ৰিকেট শৃংখলাৰ পঞ্চম তথা অন্তিমখন খেলত ভাৰতে দক্ষিণ আফ্ৰিকাক ২৩২ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। দক্ষিণ আফ্ৰিকাই টছত জয়লাভ কৰি ভাৰতক প্ৰথমে বেটিঙৰ বাবে আমন্ত্ৰণ জনোৱাৰ পিছত ভাৰতে ৫ উইকেটৰ বিনিময়ত ২৩১ ৰান সংগ্ৰহ কৰে। ভাৰতৰ হৈ সৰ্বাধিক তিলক বাৰ্মাই ৭৩ আৰু হাৰ্দিক পাণ্ডিয়াই ৬৩ ৰান সংগ্ৰহ কৰে।

০০০০

**ঃঃ সমাপ্ত ঃঃ**